# মেচাৰ্ছ কল্যানজী ভিথালদাস এণ্ড চন্স

# বনাম

# মধ্যপ্ৰদেশ ৰাজ্য আৰু অন্যান্য

**চেপ্টেম্বৰ ১৭, ১৯৯৬**

[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. বি. পট্টনায়ক]

*নিৰ্দিষ্ট এলেকাত ৩ বছৰৰ বাবে টেণ্ডু পাত ক্ৰয়ৰ বাবে চৰকাৰৰ সৈতে চুক্তি- এটা চৰ্তাৱলী আছিল যে লীজটো প্ৰতি বছৰে নৱীকৰণযোগ্য আছিল- বছৰটো শেষ হোৱাৰ ১৫ দিনৰ ভিতৰত নৱীকৰণৰ বাবে আপীলকাৰীয়ে বাছনি কৰিব- লীজ জাৰি কৰাৰ ১৫ দিনৰ ভিতৰত নবীকৰণ কৰিব লাগিব আৰু বিভাগে গ্ৰহণ কৰিব লাগিব- আপীলকাৰীৰ নবীকৰণৰ প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰিছিল আৰু যোগাযোগ প্ৰেৰণ কৰিছিল- আপীলকাৰীয়ে যোগাযোগ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি প্ৰস্তাৱটোৰ পৰা আঁতৰি আহি টেলিগ্ৰাম প্ৰেৰণ কৰে- নৱীকৰণ দলিল কাৰ্যকৰী নকৰাৰ বাবে আৰু টেণ্ডু পাত সংগ্ৰহ নকৰাৰ বাবে চৰকাৰৰ লোকচান যিহেতু ইয়াক আন কোনো সংস্থাক বিক্ৰী কৰা হোৱা নাছিল- চৰকাৰে ক্ষতি পূৰণ কৰিবলৈ আপীলকাৰীক আহ্বান জনাইছে- উচ্চ ন্যায়ালয়ে লেখ আবেদন খাৰিজ কৰি আপীলকাৰীয়ে ক্ষতিপূৰণ দিবলৈ দায়বদ্ধ বুলি ৰায় দিয়ে- আৱেদন ৰখাৰ পিছত, সময়ৰ ভিতৰত চৰকাৰে আপীলকাৰীক জনোৱা প্ৰস্তাৱটো গ্ৰহণ কৰা- আপীলকাৰীয়ে আপীলকাৰী কোম্পানীটোৰ নামত থকা কিছুমান ছপাশালৰ ভুলৰ অযথা সুবিধা লৈ চৰকাৰে গ্ৰহণ কৰা প্ৰস্তাৱৰ পৰা বিৰত থাকিব বিচৰা যেন লাগে- চুক্তিখন সম্পাদন নকৰাৰ ফলত ৰাজ্যৰ লোকচান হোৱাৰ ফলত চুক্তিখন বিলুপ্ত হ'বলৈ দিয়াৰ পিছত, ফলস্বৰূপে হোৱা লোকচান আপীলকাৰীৰ পৰা পুনৰুদ্ধাৰ কৰিব লাগিব- চুক্তিৰ অধীনত টেণ্ডু পাত সংগ্ৰহ নকৰাৰ বাবে চৰকাৰে হোৱা লোকচানৰ বাবে আপীলকাৰী-ঠিকাদাৰৰ পৰা ভূমি ৰাজহ হিচাপে*

*বাকী থকা ধন আদায় কৰাৰ ক্ষমতা চৰকাৰৰ আছে- ভূমি ৰাজহ বিধি, ধাৰা ১৫৫- ৰাজহ আদায় আইন, ১৮৯০, ধাৰা ৩ আৰু ৪(২)।*

শিৱ চৰণ লাল বনাম মধ্যপ্ৰদেশ ৰাজ্য আৰু অন্যান্য, **এ.আই.আৰ. (১৯৮০) এম. পি. ৯৩, উল্লেখ কৰা হৈছে।**

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ৬৭৫/১৯৮০।**

মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ এম. পি. ৩৭০/১৯৭১ নম্বৰত ২৪.১.৭৯ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ এছ. ভি. দেশপাণ্ডে।

প্ৰতিপক্ষসকলৰ হৈ এছ. কে. অগ্নিহোত্ৰী আৰু অশোক কুমাৰ সিং|

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল:

বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়, জবলপুৰৰ খণ্ড বিচাৰপীঠে ১৯৭৯ চনৰ ২৪ জানুৱাৰীত ৩৭০/৭১ নং বিবিধ আবেদনত দিয়া ৰায়দানৰ পৰাই উদ্ভৱ হৈছে।

স্বীকাৰ কৰা তথ্যসমূহ হ'ল যে আপীলকাৰী প্ৰতিষ্ঠানটোৱে ১৯৬৮ চনৰ ৩০ নৱেম্বৰৰ চুক্তিত উল্লেখ কৰা চৰ্ত আৰু নিয়ম অনুসৰি দক্ষিণ সংমণ্ডলৰ ১৪ নং ইউনিট, চৌকীত টেণ্ডু পাত ক্ৰয়ৰ বাবে চৰকাৰৰ সৈতে ১৯৭০ চনৰ ৩১ ডিচেম্বৰত সমাপ্ত হোৱাকৈ তিনি বছৰৰ বাবে চুক্তিবদ্ধ হৈছিল। ইয়াৰে এটা চৰ্ত আছিল যে লীজ প্ৰতি বছৰে নবীকৰণযোগ্য। বছৰৰ ১ ফেব্ৰুৱাৰীৰ পৰা লীজ আৰম্ভ হয় আৰু পিছৰ বছৰৰ ৩১ জানুৱাৰীত শেষ হয়। এই গোচৰত আপীলকাৰীৰ চুক্তি ১৯৬৮ চনৰ ২ মাৰ্চৰ পৰা আৰম্ভ হৈছিল আৰু ১৯৬৮ চনৰ ৩১ জানুৱাৰীত শেষ হ'বলগীয়া আছিল। চুক্তিখনৰ চৰ্ত অনুসৰি আপীলকাৰীয়ে ৩১ ডিচেম্বৰৰ পূৰ্বে ১৫ দিনৰ ভিতৰত নবীকৰণৰ পথ বাছি ল'ব লাগিছিল আৰু লীজ জাৰি কৰাৰ তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত নবীকৰণ কৰি বিভাগে গ্ৰহণ কৰিব লাগিছিল। গ্ৰহণযোগ্য স্থিতিটো হ'ল যে আপীলকাৰীয়ে ১৯৬৮ চনৰ ৭ ডিচেম্বৰত নবীকৰণৰ প্ৰস্তাৱ দিছিল। তথ্যৰ পৰা দেখা যায় যে চৰকাৰে ১৯৬৯ চনৰ ৩১

জানুৱাৰীত এই প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু ১৯৬৯ চনৰ ৭ ফেব্ৰুৱাৰীত আপীলকাৰীলৈ যোগাযোগ প্ৰেৰণ কৰা হৈছিল; কিন্তু তেওঁ প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। ১৯৬৯ চনৰ ৯ ফেব্ৰুৱাৰীত আপীলকাৰীয়ে নবীকৰণৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰি টেলিগ্ৰাম প্ৰেৰণ কৰে। যিহেতু আপীলকাৰীয়ে যোগাযোগ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল, সেয়েহে ১৯৬৯ চনৰ ১২ ফেব্ৰুৱাৰীত বিভাগীয় বিষয়াই প্ৰেৰণ কৰিছিল আৰু ১৯৬৯ চনৰ ১৭ ফেব্ৰুৱাৰীত আপীলকাৰীয়ে লাভ কৰিছিল। ফলস্বৰূপে ১৯৭৯ চনৰ ২০ মে'ত আপীলকাৰীক নবীকৰণ দলিল কাৰ্যকৰী নকৰাৰ বাবে আৰু লগতে টেণ্ডুৰ পাত আন কোনো সংস্থাক বিক্ৰী নোহোৱাৰ বাবে সংগ্ৰহ নকৰাৰ বাবেও ৯৩,৮২১.২৩ টকা পৰিশোধ কৰিবলৈ আহ্বান জনাই এখন পত্ৰ প্ৰেৰণ কৰা হয়। আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰি ইয়াক প্ৰত্যাহ্বান জনায়। উচ্চ ন্যায়ালয়ে বিবাদিত আদেশটো খাৰিজ কৰি কয় যে আপীলকাৰীয়ে প্ৰস্তাৱ প্ৰত্যাহাৰ কৰাৰ আগতেই চৰকাৰে আপীলকাৰীৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু সেয়েহে তেওঁ ক্ষতিপূৰণ দিবলৈ দায়বদ্ধ।

আপীলকাৰীৰ বিদ্বান অধিবক্তা শ্ৰী এছ. ভি. দেশপাণ্ডে দুটা যুক্তি দাঙি ধৰিলে। প্ৰথমতে, যিহেতু ৩১ জানুৱাৰীৰ সময়সীমাৰ পূৰ্বে আপীলকাৰীলৈ যোগাযোগ প্ৰেৰণ কৰা হোৱা নাছিল, সেয়েহে আপীলকাৰীয়ে প্ৰস্তাৱটোৰ পৰা আঁতৰি যোৱাৰ অধিকাৰ আছিল। ১৯৬৯ চনৰ ৯ ফেব্ৰুৱাৰীত সংশ্লিষ্ট সকলোকে টেলিগ্ৰাম জাৰি কৰি তেওঁ ইয়াক যথাযথভাৱে প্ৰত্যাহাৰ কৰিছিল। গতিকে ফলস্বৰূপে হোৱা লোকচানৰ বাবে আপীলকাৰীক দায়ী কৰিব নোৱাৰি। এই যুক্তিৰ কোনো গুণ আমি বিচাৰি নাপাওঁ।

চুক্তিখনৰ দফা (২)ত তলত দিয়া ধৰণে উল্লেখ কৰা হৈছে:

"এই চুক্তিখন ২.৩.১৯৬৮-ৰ পৰা আৰম্ভ হ'ব আৰু ৩১.১২.১৯৬৮-লৈকে বলবৎ থাকিব, যদিহে ইয়াৰ পিছত উল্লেখ কৰা চৰ্তসমূহৰ অধীনত পূৰ্বে নিৰ্ধাৰণ কৰা হোৱা নাই;

প্ৰদান কৰা হৈছে যে :

(১) চুক্তিখনৰ চৰ্তসমূহৰ অধীনত পূৰ্বে নিৰ্ধাৰণ নকৰালৈকে প্ৰতি বছৰে ৩১ জানুৱাৰীৰ ভিতৰত চৰকাৰৰ দ্বাৰা লিখিতভাৱে নিৰ্দেশ জাৰি কৰি চুক্তিখনৰ বছৰি নবীকৰণ কৰা হ’ব। চৰকাৰ সন্তুষ্ট যে ক্ৰেতাই প্ৰতি বছৰে নিম্নলিখিত চৰ্তবোৰ পূৰণ কৰিছে:

(এ) বছৰটোৰ ভিতৰত সংগ্ৰহ কৰা পাতৰ গুণগত মান অধিসূচনা কৰা পৰিমাণতকৈ ১০ শতাংশ বা তাতকৈ অধিক আৰু পূৰ্বৰ বছৰৰ ভিতৰত গোটটোত সংগ্ৰহ কৰা পৰিমাণতকৈও ১০ শতাংশ বা তাতকৈ অধিক অতিক্ৰম কৰিছে।

(বি) এই আইন আৰু ইয়াৰ অধীনত কৰা নিয়ম আৰু চুক্তিৰ কোনো গুৰুতৰ উলংঘা হোৱা নাছিল।

(চি) ক্ৰেতাই দণ্ড, জৰিমনা আদিকে ধৰি বাকী থকা সকলো ধন তৎক্ষণাত আৰু চুক্তিৰ বিধান অনুসৰি পৰিশোধ কৰিছিল।

(২) প্ৰতিটো নবীকৰণ কৰা বছৰৰ বাবে প্ৰযোজ্য প্ৰতিটো মানক বেগৰ ক্ৰয়ৰ হাৰ পূৰ্বৰ বছৰৰ বাবে প্ৰযোজ্য ক্ৰয়ৰ হাৰ ৫ শতাংশ বৃদ্ধি কৰি গণনা কৰা হাৰ হ'ব আৰু ইয়াৰ লগত নবীকৰণ কৰা বছৰটোত তলত দিয়া সকলো চৰ্তৰ হাৰ পূৰ্বৰ বছৰত একে বস্তুৰ বাবে নিৰ্ধাৰণ কৰা হাৰৰ তুলনাত যোগ কৰি গণনা কৰা হ'ব :

(i) খেতিয়কক প্ৰদান কৰিবলগীয়া ক্ৰয়ৰ হাৰ,

(ii) অভিকৰ্তাক প্ৰদান কৰিবলগীয়া পাৰিতোষিক,

(iii) অভিকৰ্তাক পৰিশোধ কৰিবলগা মাচুল হস্তান্তৰ কৰা।

(৩) ক্ৰেতাই নৱীকৰণ প্ৰদান কৰা আদেশ জাৰী কৰাৰ তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত নতুন চুক্তিখন কাৰ্যকৰী কৰিব, চুক্তি সম্পাদন কৰাৰ বাবে নিবিদা জাননীৰ চৰ্তাৱলীৰ অধীনত প্ৰয়োজনীয় সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ পিছত, যিটো নকৰিলে চুক্তিখন চৰকাৰৰ দ্বাৰা বাতিল কৰিবলৈ দায়বদ্ধ হ'ব আৰু চুক্তিত দিয়া সমাপ্তিৰ সকলো পৰিণাম বাধ্যতামূলক আৰু

প্ৰযোজ্য হ'ব। পৰৱৰ্তী সময়ত গোটটোত পাত বিক্ৰীৰ ক্ষেত্ৰত যদি চৰকাৰৰ লোকচান হয় তেন্তে পূৰ্বৰ ক্ৰেতাৰ পৰা আদায় কৰা হ'ব।"

দেখা যায় যে আপীলকাৰীৰ তিনি বছৰৰ বাবে চুক্তি আছিল যিটো ১৯৭০ চনৰ ৩১ ডিচেম্বৰত সমাপ্ত হৈছিল। ১৯৬৯ চনৰ ৩১ জানুৱাৰীত সমাপ্ত হোৱা ১৯৬৮ চনত তেওঁ চুক্তিখনৰ কাম কৰিছিল। বিধানৰ দফা (১)ৰ অধীনত, যদিহে চুক্তিৰ চৰ্তাৱলীৰ অধীনত পূৰ্বে নিৰ্ধাৰণ কৰা হোৱা নাই, চৰকাৰে লিখিত আদেশ জাৰি কৰি প্ৰতি বছৰৰ ৩১ জানুৱাৰীৰ ভিতৰত চুক্তিখন বাৰ্ষিক নবীকৰণ কৰা হ'ব যদিহে চৰকাৰে সন্তুষ্ট হয় যে ক্ৰেতাই পৰৱৰ্তী সময়ত উল্লেখ কৰা চৰ্তসমূহ পূৰণ কৰিছে। শ্ৰী এছ. ভি. দেশপাণ্ডে যুক্তি দিয়াৰ দৰে এইটো সঁচা যে 'ইছ্যু' শব্দটোৱে জাননী প্ৰদান বুজায়। ঠিকাদাৰে চৰকাৰৰ পৰা অনুমোদন নোপোৱালৈকে চৰকাৰে তেওঁৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে নে নাই সেই কথা জানিব পৰা অৱস্থাত নাথাকিব। গতিকে ৰচিদৰ তাৰিখটোৱেই হ’ব ইছ্যুৰ তাৰিখ। এই প্ৰস্তাৱৰ বাবে কোনো বিতৰ্ক নহ'ব। প্ৰশ্নটো হ’ল: বছৰৰ ৩১ জানুৱাৰীৰ ম্যাদ উকলি যোৱাৰ পিছত নবীকৰণৰ তাৰিখ কাৰ্যকৰী নকৰাৰ বাবে পূৰ্বৰ ঠিকাদাৰজন দায়বদ্ধতাৰ পৰা মুক্ত হয় নেকি? দেখা যায় যে প্ৰথমে এই চুক্তি তিনি বছৰৰ বাবে আছিল। গতিকে, আগতে নিৰ্ধাৰণ নকৰালৈকে আৰু নবীকৰণৰ প্ৰস্তাৱ চৰকাৰে নাকচ নকৰালৈকে তেওঁ নবীকৰণৰ অধিকাৰী। স্বীকাৰ্য্য যে আপীলকাৰীয়ে সময়সীমা শেষ হোৱাৰ আগতেই নবীকৰণৰ প্ৰস্তাৱ দিছিল আৰু চৰকাৰেও ১৯৬৯ চনৰ ৩১ জানুৱাৰীৰ আগতে এই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। স্পষ্টভাৱে এই বিষয়ে অৱগত হ'বলৈ সময় লাগিব। ই এটা ধাৰাবাহিক চুক্তি হোৱাৰ বাবে যিটো অন্যথা আপীলকাৰীৰ তিনি বছৰৰ বাবে থাকিলহেঁতেন, গতিকে চুক্তিৰ ক্ষেত্ৰত তেওঁৰ লীজ বাতিল কৰাৰ বাবে চৰকাৰে ব্যৱধানত কোনো পদক্ষেপ গ্ৰহণ নকৰালৈকে ধাৰাবাহিকতাত কোনো বিৰতি নাথাকিলহেঁতেন। এই ক্ষেত্ৰত, চুক্তি বাতিল কৰা হোৱা নাই। ফলস্বৰূপে, চৰকাৰে আপীলকাৰীক জনোৱা প্ৰস্তাৱটো সময়ৰ ভিতৰতে, অৰ্থাৎ ১৯৬৯ চনৰ ৩১ জানুৱাৰীত গ্ৰহণ কৰা হয়, যি কৰিবলগীয়া আছিল সেয়া হ'ল চুক্তিৰ ক্ষেত্ৰত আৰু এবছৰৰ বাবে নবীকৰণ লীজ দলিলখন কাৰ্যকৰী কৰা। ১৯৬৯ চনৰ ৭ ফেব্ৰুৱাৰীত গ্ৰহণযোগ্যতাৰ বিষয়ে জনোৱাৰ পিছতহে আপীলকাৰীয়ে তেওঁৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰে। নিঃসন্দেহে, আপীলকাৰীক আদেশ দিয়াত কোনো ত্ৰুটি আছিল যদিও আপীলকাৰীয়ে প্ৰদান কৰা আৰু চৰকাৰলৈ প্ৰেৰণ কৰা ঠিকনাৰ ক্ষেত্ৰত

কোনো দোষ নাছিল। আপীলকাৰী-কোম্পানীৰ নামত কিছু ছপাশালৰ ভুল হ'ব পাৰে। আপীলকাৰীজনে ইয়াৰ অযথা সুবিধা লোৱা দেখা গৈছে আৰু চৰকাৰে গ্ৰহণ কৰা প্ৰস্তাৱৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিছে। চুক্তিখন কাৰ্যকৰী নোহোৱাৰ বাবে ৰাজ্যৰ লোকচান হোৱাৰ ফলত চুক্তিখন বিলুপ্ত হ'বলৈ দিয়াৰ পিছত, ফলস্বৰূপে হোৱা লোকচান আপীলকাৰীৰ পৰা আদায় কৰিব লাগিব।

বিদ্বান অধিবক্তা শ্ৰী এছ. ভি. দেশপাণ্ডে শিৱশৰণ লাল বনাম মধ্যপ্ৰদেশ ৰাজ্য আৰু অন্যান্য, এ.আই.আৰ. (১৯৮০) মধ্যপ্ৰদেশ ৯৩ গোচৰত একেখন বিচাৰপীঠৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছে। ইয়াত বিদ্বান ন্যায়াধীশসকলে ৰায় দিছে যে যিহেতু পৰৱৰ্তী বছৰৰ ৩১ জানুৱাৰীৰ ম্যাদ উকলি যোৱাৰ আগতে গ্ৰহণযোগ্যতাৰ যোগাযোগ কৰা হোৱা নাছিল, গতিকে ঠিকাদাৰজনে ইয়াৰ ধন পৰিশোধৰ বাবে দায়বদ্ধ নাছিল। যোগাযোগৰ নীতিত, পূৰ্বে কোৱাৰ দৰে, কোনো বিতৰ্ক নাই, কিন্তু বিদ্বান ন্যায়াধীশসকলে পৰৱৰ্তী দিশটো বিবেচনা কৰা নাই, অৰ্থাৎ চুক্তি অব্যাহত ৰখাৰ ক্ষেত্ৰত, তেওঁ দায়বদ্ধতাৰ পৰা মুক্ত হৈছে নেকি? আমি আগতে কোৱাৰ দৰে একেখন বিচাৰপীঠে আপীলৰ সিদ্ধান্তৰ উল্লেখ নকৰাকৈয়ে অসামঞ্জস্যপূৰ্ণ পন্থা গ্ৰহণ কৰা যেন লাগে। গতিকে পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ে দায়বদ্ধতাৰ ওপৰত প্ৰকাশ কৰা মতামত আইনগতভাৱে শুদ্ধ নহয়।

তেতিয়া প্ৰশ্নটো হ'ল: পট্টাধাৰীঠিকাদাৰৰ পৰা প্ৰাপ্য বকেয়া- ধন খিনি ভূমি ৰাজহৰ বকেয়া হিচাপে আদায় কৰা হ'ব নেকি? ভূমি ৰাজহ সংহিতাৰ ১৫৫ নং ধাৰা আৰু ১৮৯০ চনৰ ৰাজহ আদায় আইনৰ ৩ আৰু ৪(২) নং ধাৰাত তলত উল্লেখ কৰা হৈছে:

"১৫৫. এই অধ্যায়ৰ বিধানৰ অধীনত তলত দিয়া ধনৰাশিসমূহ, যিমানদূৰ পাৰে, ভূমি ৰাজহৰ বকেয়া ধনৰ দৰেই আদায় কৰিব পাৰি:

(এ) xxxx xxxx xxxx

(বি) যিকোনো অনুদান, লীজ বা চুক্তিৰ অধীনত ৰাজ্য চৰকাৰে লাভ কৰা সকলো ধনৰ ৰাশি যিয়ে ভূমিৰ বকেয়া ৰাজহৰ দৰেই আদায় কৰিব পৰা হ'ব বুলি নিৰ্ধাৰণ কৰে।"

*ৰাজহ আদায় আইনৰ ৩ নং ধাৰা।*

"৩. ৰাজহুৱা দাবীসমূহ প্ৰদান কৰিবলগীয়া জিলাসমূহৰ বাহিৰে আন জিলাত প্ৰক্ৰিয়া বলবৎ কৰি আদায় কৰা (১) য'ত ভূমি ৰাজহৰ বকেয়া আছে, বা ভূমি ৰাজহৰ বকেয়া হিচাপে আদায় কৰিব পৰা ধনৰাশি যিটো সংগ্ৰাহকক নিয়ম লংঘনকাৰীয়ে প্ৰদান কৰিব লাগিব বা যিখন জিলাত বকেয়া জমা হৈছিল বা ধনৰাশি প্ৰদান কৰিবলগীয়া আছিল, সেই জিলাৰ বাহিৰে আন এখন জিলাত সম্পত্তি থকা, সংগ্ৰাহকে আন জিলাৰ সংগ্ৰাহকলৈ প্ৰায় অনুসূচীৰ আকাৰত প্ৰমাণপত্ৰ প্ৰেৰণ কৰিব পাৰে, য'ত উল্লেখ কৰা হ'ব-

(এ) নিয়ম লংঘনকাৰীৰ নাম আৰু তেওঁৰ চিনাক্তকৰণৰ বাবে প্ৰয়োজনীয় অন্যান্য বিৱৰণ, আৰু

(বি) তেওঁৰ দ্বাৰা প্ৰদান কৰিবলগীয়া ধনৰাশি আৰু যিটো একাউণ্টত ইয়াক প্ৰদান কৰিবলগীয়া হয়।

(২) প্ৰমাণপত্ৰখন সংগ্ৰাহকে স্বাক্ষৰ কৰিব বা যিকোনো বিষয়াৰ দ্বাৰা যাক এনে সংগ্ৰাহকে ) আৰু (লিখিতভাৱে আদেশ দি এই কৰ্তব্য প্ৰদান কৰিব পাৰে, এই আইনৰ দ্বাৰা অন্যথা প্ৰদান কৰা অনুসৰি, ইয়াত উল্লেখ কৰা বিষয়বোৰৰ চূড়ান্ত প্ৰমাণ হ'ব।

(৩) আনখন জিলাৰ সংগ্ৰাহকে প্ৰমাণপত্ৰ লাভ কৰাৰ লগে লগে তাত উল্লেখ কৰা ধনৰাশি এনেদৰে আদায় কৰিবলৈ আগবাঢ়িব যেন সেয়া নিজৰ জিলাত জমা হোৱা ভূমি ৰাজহৰ বকেয়া।”

*ধাৰা ৪(১)*

“৪. পূৰ্বৰ ধাৰা (১)ৰ অধীনত আদায় কৰা ধনৰাশি পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰা ব্যক্তিৰ বাবে উপলব্ধ প্ৰতিকাৰ যেতিয়া প্ৰমাণপত্ৰত উল্লেখ কৰা ধনৰাশি আদায়ৰ বাবে পূৰ্বৰ ধাৰা অনুসৰি কোনো ব্যক্তিৰ বিৰুদ্ধে কাৰ্য্যবিধি গ্ৰহণ কৰা হয়, তেতিয়া সেই ব্যক্তিজনে যদি তেওঁ নিজৰ দায়বদ্ধতা বা ইয়াৰ ধনৰাশিৰ যিকোনো অংশ পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰে আৰু পৰিশোধ কৰাৰ সময়ত লিখিতভাৱে কৰা আৰু তেওঁৰ বা তেওঁৰ অভিকৰ্তাৰ দ্বাৰা স্বাক্ষৰিত প্ৰতিবাদৰ অধীনত একেখিনি ধন পৰিশোধ কৰে, তেনেকৈ প্ৰদান কৰা ধনৰাশি বা ইয়াৰ অংশ পৰিশোধৰ বাবে মামলা উত্থাপন কৰিব পাৰে।"

এই বিধানসমূহ পঢ়িলে স্পষ্টকৈ বুজা যায় যে প্ৰক্ৰিয়া বলবৎ কৰি জনসাধাৰণৰ দাবী আদায় কৰাটো ভূমি ৰাজহৰ বকেয়া হিচাপে আদায় কৰিব পৰা যায়, কিয়নো যিকোনো অনুদান, লীজ বা চুক্তিৰ অধীনত সকলো ধনৰাশি ভূমি ৰাজহৰ বকেয়া ধনৰ দৰেই আদায় কৰিব পৰা হ'ব। গতিকে চুক্তিৰ অধীনত টেণ্ডু পাত সংগ্ৰহ নকৰাৰ ফলত চৰকাৰৰ ক্ষতিৰ দিশত আপীলকাৰী-ঠিকাদাৰৰ পৰা ভূমি ৰাজহ হিচাপে বকেয়া ধন আদায় কৰিবলৈ চৰকাৰক স্পষ্টভাৱে ক্ষমতা প্ৰদান কৰা হৈছে।

আমাক জনোৱা হৈছে যে আপীলকাৰীয়ে ইতিমধ্যে বেংকৰ নিশ্চয়তা প্ৰদান কৰিছে। বেংকৰ নিশ্চয়তা বলবৎ কৰিবলৈ আৰু সেইটো আদায় কৰিবলৈ চৰকাৰ দায়বদ্ধ। বেংক নিশ্চয়তাৰ অধীনত ইতিমধ্যে দিয়া ধনৰ কোনো ধৰণৰ অভাৱ হ'লে চৰকাৰে সেই ধন আদায় কৰিবলৈ বাধ্য।

আবেদনটো সেই অনুসৰি ওপৰোক্ত নিৰ্দেশনাৰ সৈতে খাৰিজ কৰা হয় কিন্তু, পৰিস্থিতিত, ব্যয় অবিহনে।

জি. এন. আপীল খাৰিজ কৰা হৈছে।

---

অনুবাদক: মৃদুল হাজৰিকা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।”